# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 08-06-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

অসম বিধানসভাৰ এদিনীয়া বিশেষ অধিবেশন কাইলৈ অনুষ্ঠিত হ'ব। বিধানসভাৰ বিশেষ অধিবেশনত ডিব্ৰুগড় বিমান বন্দৰৰ নাম ড০ ভূপেন হাজৰিকা নামেৰে নামকৰণ সম্পৰ্কত সংকল্প প্ৰস্তাৱ গ্ৰহণ কৰা হ'ব। এই অধিবেশনতে ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপন সম্পৰ্কে প্ৰস্তাৱ গ্ৰহণৰো সম্ভাৱনা আছে। ড০ হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীগোটৰ বৈঠকৰ সিদ্ধান্ত অনুসৰি সদনে এই প্ৰস্তাৱ গ্ৰহণ কৰিব। এদিনীয়া বিশেষ অধিবেশনত প্ৰশ্নোত্তৰ শিতান নাথাকে। সদনৰ শূন্যকালীন ঘণ্টাতো বিভিন্ন বিষয়ৰ ওপৰত আলোচনা হ'ব। অতি সম্প্ৰতি প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰা গৌৰৱ গগৈয়ে বিধানসভাৰ বিশেষ অধিবেশনৰ প্ৰৱেশ পত্ৰ বিচাৰি বিধানসভাৰ অধ্যক্ষক আবেদন জনাইছে। প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীৰ আবেদনৰ ভিত্তিত অধ্যক্ষগৰাকীয়ে প্ৰৱেশ পত্ৰ প্ৰদান কৰিছে। অধ্যক্ষৰ গেলাৰীৰ পৰা গৌৰৱ গগৈয়ে দৰ্শক হিচাপে বিধানসভাৰ কাৰ্যক্ৰমণিকা চাব পাৰিব।

০০০০০

অসম লোকসেৱা আয়োগৰ ২০২৪ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষা ৰাজ্যৰ ৩৫খন জিলাৰ ৯০টা কেন্দ্ৰত আজি সুকলমে সম্পন্ন হয়। মুঠ ২৮৮টা পদৰ বাবে অনুষ্ঠিত এই পৰীক্ষাত সৰ্বমুঠ ৫৭ হাজাৰ ২২২ গৰাকী প্ৰাৰ্থীয়ে আবেদন কৰিছিল। ইয়াৰে ৩২ হাজাৰ ৫০১গৰাকী পুৰুষ, ২৪ হাজাৰ ৭২১গৰাকী মহিলা আৰু ৪১৩গৰাকী বিশেষভাৱে সক্ষম আবেদনকাৰী আছে। এই পৰীক্ষা অনুষ্ঠিত ১৬টা সেৱাৰ ভিতৰত অসম প্ৰশাসনিক সেৱাৰ ৪৫টা, অসম আৰক্ষী সেৱাৰ ২০টা, অসম বিত্তীয় সেৱাৰ ৫৩টা আৰু কৰ পৰিদৰ্শকৰ ৫১টা পদ আছে। অহা ছেপ্তেম্বৰ-অক্টোবৰত হ'বলগীয়া মূল পৰীক্ষাৰ প্ৰশ্নকাকতসমূহ অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাতে উপলব্ধ হ'ব।

০০০০০

ৰাজ্যখনৰ বান পৰিস্থিতি পূৰ্বতকৈ সুস্থিৰ হৈছে আৰু যোৱা ২৪ ঘণ্টাত বানৰ ফলত কোনো প্ৰাণহানি, বিশেষ ক্ষয়-ক্ষতি আৰু ভূমিস্খলনৰ তথ্য পোৱা হোৱা নাই। অৱশ্যে ১২খন জিলাৰ ৯০০খন গাঁৱৰ ৩ লাখতকৈও অধিক লোক এতিয়াও বানৰ কবলত আছে। ৰাজ্যত বছৰটোৰ প্ৰথমটো বানত ২৩জন লোকে প্ৰাণ হেৰুৱায়। জিলা প্ৰশাসনসমূহে স্থাপন কৰা ১৩০টা আশ্ৰয় শিবিৰত ৩০ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে বুলি ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সূত্ৰই প্ৰকাশ কৰিছে। কামৰূপ জিলাত বান পৰিস্থিতি সুস্থিৰ হোৱাৰ পৰিপ্ৰেক্ষিতত আজিৰে পৰা গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজত ফেৰী সেৱা আৰম্ভ কৰা হৈছে।

কাছাৰ জিলাত বানৰ ফলত ২০ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে আৰু দুজন লোকে প্ৰাণ হেৰুৱাইছে। এতিয়াও কমেও ৭০খন গাঁৱত পৰিস্থিতি স্বাভাৱিক হোৱা নাই আৰু শিলচৰৰ ২০টা আশ্ৰয়

শিবিৰত ভালেসংখ্যক লোকে আশ্ৰয় লৈ আছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। শ্ৰীভূমি জিলাতো বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হৈছে যদিও বছৰৰ প্ৰথমটো বানত জিলাখনত ১ লাখৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। পশ্চিম কাৰ্বি আংলং জিলাৰ সাম্প্ৰতিক বান পৰিস্থিতি উন্নত হৈছে। জিলাখনত বানৰ ফলত ৪৬খন গাঁৱৰ ১২ হাজাৰৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে।

শিৱসাগৰ, ধেমাজি, নগাঁৱকে ধৰি কেইবাখনো জিলাত নৈসমূহৰ জলপৃষ্ঠ বিপদসীমাতকৈ নিম্নগামী হোৱাৰ ফলত বান পৰিস্থিতি উন্নত হৈছে বুলি আমাৰ সংবাদদাতাসকলে জানিবলৈ দিছে।

ooooo

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই অহা ১১ জুনত টীয়ক এফ আৰ ইউত এটা ডায়েলাইছিছ ইউনিটৰ উদ্বোধন কৰিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ আগমনৰ পূৰ্বে যোৰহাট জিলা আয়ুক্ত জয় শিৱানীয়ে আজি টীয়ক এফ আৰ ইউত উপস্থিত হৈ উদ্বোধনী কাৰ্যসূচীৰ প্ৰস্তুতি সন্দৰ্ভত বুজ লয়। জিলা আয়ুক্তগৰাকীয়ে লগতে টীয়ক এফ আৰ ইউৰ, নিৰ্মাণৰত আই চি ইউ ইউনিটৰ কাম-কাজ পৰিদৰ্শন কৰি শীঘ্ৰেই কাম সম্পূৰ্ণ কৰা সন্দৰ্ভত স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক আৰু কাকজান খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বিষয়ববীয়াৰ সৈতে মত বিনিময় কৰে।

ooooo

মণিপুৰ চৰকাৰে ৰাজ্যখনৰ পাঁচখন জিলাৰ সীমান্তৱৰ্তী অঞ্চলত ইণ্টাৰনেট আৰু মোবাইল সেৱা বন্ধ কৰিছে। যোৱা নিশা ১১ বাজি ৪৫ মিনিটৰ পৰা কাৰ্যকৰী হোৱা এই নিষেধাজ্ঞা অহা ৫ জুনলৈ বাহাল থাকিব। পশ্চিম ইম্ফল, পূব ইম্ফল, থৌবাল, বিষ্ণুপুৰ আৰু কাকচিং জিলাত এই নিষেধাজ্ঞা জাৰি কৰা হৈছে। মণিপুৰৰ গৃহ বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে নিৰাপত্তাজনিত কাৰণত জিলাকেইখনত এই ব্যৱস্থা গ্ৰহণ কৰা হয়। এই নিষেধাজ্ঞা উলংঘা কৰা লোকসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ'ব বুলিও প্ৰকাশ কৰা হয়।

ooooo

চৰাইদেউ জিলাৰ মাহমৰা এটা ১৩ বছৰীয়া কিশোৰে মুম্বাই থকা ৰিলায়েন্স ফাউণ্ডেচন ইয়ং চেম্পত ফুটবলৰ ৫ বছৰীয়া আবাসিক প্ৰশিক্ষণৰ বাবে নিৰ্বাচিত হৈছে। মাহমৰা দিছাংকোষ অঞ্চলৰ তিলক ৰাজকোঁৱৰ আৰু জোনালী ৰাজকোঁৱৰৰ পুত্ৰ সমীৰ ৰাজকোঁৱৰৰ এই প্ৰশিক্ষণৰ বাবে নিৰ্বাচিত হোৱাত অঞ্চলটোৰ ক্ৰীড়ানুৰাগীসকল উৎফুল্লিত হৈ পৰিছে। মাহমৰা গৰৈমাৰী ক্ৰীড়া প্ৰকল্পত ফুটবল খেলৰ অনুশীলন কৰি দেশৰ আগশাৰীৰ আবাসিক প্ৰশিক্ষণ কেন্দ্ৰটোৰ বাবে নিৰ্বাচিত হোৱা সমীৰ ৰাজকোঁৱৰক চৰাইদেউ জিলা ক্ৰীড়া সন্থাৰ লগতে বিভিন্ন দল-সংগঠনে অভিনন্দন জনাইছে। মাহমৰা জাতীয় বিদ্যালয়ৰ সপ্তম শ্ৰেণীৰ ছাত্ৰ সমীৰ ৰাজকোঁৱৰে মুম্বাইৰ এই ফুটবল প্ৰশিক্ষণ কেন্দ্ৰত ফুটবলৰ প্ৰশিক্ষণৰ লগতে বিনামূলীয়াকৈ অধ্যয়নৰো সুবিধা লাভ কৰিব।

ooooo

সমাপ্ত